RNI Regn. No-ASSASS/2011/36111

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৩৭ মঙ্গলবাৰ ১৮ চ'ত ১৯৪৬ শক ১ এপ্ৰিল ২০২৫ চন ASOMIYA KHABAR JORHAT

## ...বিদ্যালয়ত ...ৰ হেতা-ওপৰা

...এক ...ছে ...তক ...য়ৰ ...ঠাৰ ...ত্ৰিক ...নে। ...ত্ৰ- ...ষ্ঠিত ...কাৰী

খণ্ডৰ বহু বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত চৰকাৰে বন্ধ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে, তেনে সময়তে টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ ব্যাপক উৎসাহে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এইয়া চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ বাবে এক আশা আৰু প্ৰত্যাক্ষাৰ ৰেঙণি কঢ়িয়াই আনিছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰিৱৰ্তে অভিভাৱকে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত হোৱাটো নিশ্চয়কৈ এক আশাৰ বাট মুকলি হৈছে।

## ...তিবিদ চক্ৰৱৰ্তী ...লোচনা-চক্ৰ

...অধ্যাপক ...অন্যতম ...হণ কৰি

ড° পাৰ্থ প্ৰতীম বৰা, উপাধ্যক্ষ গায়ত্ৰী শৰ্মা তামুলী, ড° যদুমণি দাস, অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক তথা কলা শাখাৰ ডীন ড°

## কানৈ মহাবিদ্যালয়ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়াৰ কৰ্মশালা

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩১ মাৰ্চ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত বৰঠাকুৰ আইএএছ একাডেমী, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস, ৰুক্মিণী কানৈ ছাত্ৰী নিবাসৰ সহযোগত ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ এক মনশীল কৰ্মশালা অনুষ্ঠিত হয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধন কৰা এই কৰ্মশালাত প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। কৰ্মশালাখন উদ্বোধন কৰি অধ্যক্ষগৰাকীয়ে কয় ঃ ছাত্ৰ-ছাত্ৰীসকলৰ যোগায়ক চিন্তা চৰ্চাই এখন মহাবিদ্যালয়ত সুন্দৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলে। অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু সাধনা কৰি প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হৈ দেশৰ লগতে বিশ্বক নেতৃত্ব দিবলৈ আহ্বান জনায়। তেওঁ এনে কৰ্মশালা আয়োজন কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সম্পাদক চিন্ময় কলিতাকে ধৰি অন্যান্য বিষয়ববীয়াক ধন্যবাদ জনায়। কৰ্মশালাখনত এআইএছ বিষয়া উদয়জ্যোতি বৰাই প্ৰতিযোগিতা মনোভাৱেৰে আগুৱাই গৈ জীৱনত সফলতা লাভ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনায়। কৰ্মশালাত উপস্থিত থকা ৰূপম শৰ্মা আৰু আদিত্য বৰঠাকুৰেও প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত কেনেকৈ অৱতীৰ্ণ হ'ব পাৰি সেই সম্পৰ্কে বিতংভাৱে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে আৰু অনুপ্ৰাণিত কৰে। ছাত্ৰ একতা সভাৰ সম্পাদক চিন্ময় কলিতাই প্ৰতি সপ্তাহত এনেধৰণৰ কৰ্মশালা দি ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতামূলক ভাৱেৰে আগুৱাই লৈ যোৱাত সহায় কৰিব বুলি জনায়।